# পাঠ :৩

# গীত আৰু ছবি – দুৰ্গেশ্বৰ শৰ্মা

---

**ভাৱ বিষয়ক :**

প্ৰশ্ন ১। চমু উত্তৰ দিয়া :

( ক ) কেনে গীত আৰু কেনে ছবিক কোনেও ভাল নোবোলে ?

উত্তৰঃ যিটি গীত বুজাইহে বুজে , যিটি ছবিৰ মূল আটায়ে নুবুজে তেনে গীত আৰু ছবিক কোনেও ভাল নোবোলে ।

( খ ) সদায় কাণেৰে শুনা সৰু কথাটিয়ে কেনেকৈ আমাৰ প্ৰাণ টানি ধৰে ? উত্তৰঃ গীত হলে আমাৰ প্ৰাণ টানি ধৰে ।

উত্তৰঃ গীত হ'লে আমাৰ প্ৰাণ টানি ধৰে ।

( গ ) কবিৰ মতে কোনবোৰ বস্তু অজৰ অমৰ ?

উত্তৰঃ কবিৰ মতে মিহি ভাব , মিহি গতি , কৌশলী বিদ্যা অজৰ - অমৰ ।

( ঘ ) কেনেকুৱা গীত আৰু ছবিক সকলোৱে ভাল বুলি কয় ?

উত্তৰঃ যিটো গীত শুনি আৰু যিটো ছবি দেখি সকলোৱে একে ৰং পায় , জগতৰো উলাহ বঢ়ায় - সেই গীত আৰু ছবিকে সকলোৱে ভাল বুলি কয় ।

( ঙ ) ‘ সিহে পায় নিজে নিজে আলাসত ঠাই ” —ইয়াত আলাস শব্দটোৰ অৰ্থ কি ?

উত্তৰঃ ' সিহে পায় নিজে নিজে আলাসত ঠাই ” —ইয়াত আলাস শব্দটোৰ অৰ্থ হ'ল-আকাশ ; শূন্য ।

প্ৰশ্ন ২। ভাল গীত আৰু ছবিৰ মহত্ব কেনেকুৱা কবিতাটোৰ সহায়ত বুজাই লিখা ।

উত্তৰঃ ভাল গীত আৰু ছবিক সকলোৱে ভাল পায় , আদৰ কৰে । উচ্চ প্ৰশংসা কৰে , উচ্চ আসনত ঠাই দিয়ে । কাৰণ ভাল গীত নুবুজা হলেও সি প্ৰাণ টানি ধৰে , অশান্ত হৃদয় । জুৰ পেলায় । সেইদৰে ভাল ছবিয়েও চকু পৰিলেই মনত সোমাই পৰে , মনটো আনন্দৰে ভৰাই তোলে ।

প্ৰশ্ন ৩। সদায় চকুৰে দেখা গছ পাতটিও ছবিত কিয় ভাল হৈ পৰে বুলি তুমি ভাবা ? নিজৰ মতামত আগবঢ়োৱা ।

উত্তৰঃ ছবি আঁকিব জনাটো এটা কৌশলী বিদ্যা । এই বিদ্যাৰ বলতে শিল্পীসকলে সাধাৰণ গছপাত আদিক লোক চক্ষুৰ আগত আকৰ্ষণীয় কৰি তুলিব পাৰে । যিটো গছৰ পাত দেখিও আমি আকৰ্ষিত নহয় , মন নকৰোঁ , শিল্পী হাতৰ পৰশত সি ছবি হৈ উঠিলে আমাৰ চকুত চমক লগায় , মনপ্ৰাণ টানি ধৰে , মনত সোমায় । সেই কাৰণেই শিল্পীসকল ,

চিত্ৰকসকলক মহান বুলি কয় । তেওঁলোকে ছবিত যিকোনো বস্তুকে জীৱন্ত ৰূপ দিব পাৰে । যিহেতু কৌশলী বিদ্যাৰ মৃত্যু নাই , – সি অজৰ অমৰ গতিকে জীৱন্ত ৰূপত ধৰা দিয়া ছবিবোৰো অজৰ - অমৰ ।

প্ৰশ্ন ৪। কেনেকুৱা গীত আৰু ছবিক কোনেও ভাল নোবোলে আৰু কোনবোৰ গীত আৰু ছবিক সকলোৱে ভাল বুলি আদৰি লৈ আলাসত ঠাই দিয়ে নিজৰ ভাষাৰে বৰ্ণনা কৰা ।

উত্তৰঃ যিবোৰ গীত শুনিলে সকলোৱে বুজি নাপায় , যিবোৰ গীতৰ সুৰে সকলোৰে অন্তৰ স্পৰ্শ কৰিব নোৱাৰে তেনেবোৰ গীত শুনিলেও কোনো আকৰ্ষিত নহয় , কোনেও প্ৰাণত আনন্দ অনুভৱ নকৰে । তেনেবোৰ গীতক কোনেও ভাল বুলি নকয় ।

তাৰোপৰি যিবোৰ ছবিৰ মূল আটায়ে নুবুজে , ছবি চাই চকুত তৃপ্তি আৰু অন্তৰত আনন্দ অনুভৱ কৰা নাযায় , তেনেবোৰ ছবিকো কোনেও ভাল বুলি নকয় । শিল্পীয়ে নিজৰ কাৰণেও গীত গায় , ছবি আঁকে । হ'লেও এইবোৰে আমাকে তৃপ্ত কৰিব পাৰিব লাগিব । শ্ৰোতা , দৰ্শকক তৃপ্ত কৰিব পাৰিলেহে শিল্পীৰ সাৰ্থকতা ।

আনহাতে যিবোৰ গীত শুনি , ছবি চাই সকলোৱে সমানে আনন্দ পায় , যিবোৰ গীত শুনিলে প্ৰাণ টানি ধৰে ; যিবোৰ ছবিয়ে দৰ্শকৰ চকুত জীৱন্ত ৰূপত ধৰা দিয়ে , চকু তৃপ্ত হয় তেনেবোৰ গীত আৰু ছবিকে সকলোৱে ভাল বুলি স্বীকৃতি দিয়ে । ভাল গীত আৰু ছবিয়ে মানুহৰ অন্তৰত স্থায়ীভাৱে ৰেখাপাত কৰিব পাৰে । এনেগীত আৰু ছবিৰ মৰণ নাই , সি অজৰ অমৰ ।

প্ৰশ্ন ৫। 'গীত আৰু ছবি ' কবিতাটোৰ সাৰাংশ লিখা ।

উত্তৰঃ যিটো গীত শুনিলে বুজাইহে বুজে সকলোৱে নুবুজে , সেইটো গীত কোনেও ভাল বুলি নকয় । আন যিটো ছবিৰ মূল আটায়ে বুজি নাপায় তেনে ছবিকো কোনেও ভাল নেদেখে । যিটো ছবি দেখি , যিটো গীত শুনি সকলোৱে আনন্দ পায়— তেনে গীত আৰু ছবিক সকলোৱে আদৰি লয় , উচচ প্ৰশংসা কৰে , উষ্চ স্থানত স্থান দিয়ে । কাৰণ ভাল গীত নুবুজা হলেও তাৰ সুৰে হৃদয় জগাই তোলে । ছবিৰ বিষয়ে একো নাজানিলেও ভাল ছবি চকুত পৰিলেই মনত সোমাই পৰে । সদায় দেখি থকা গছপাতটিও ছবিত মনোৰম , জীৱন্ত হৈ পৰে আৰু সদায় শুনি থকা কথাটিও গীত হলে প্ৰাণ টানি ধৰে । ভাল গীত আৰু ভাল । ছবিত মিহি ভাব, মিহি গতি আৰু কৌশলী বিদ্যা নিহিত হৈ থাকে । এই সমূহৰ মৃত্যু নাই , ইহঁত অজৰ - অমৰ । ভাল গীত য'তেই গোৱা হয় , ভাল ছবি য'তেই প্ৰদৰ্শন কৰা হয় । তাতেই প্ৰশংসিত হয় । সেই প্ৰশংসা ঠাই আৰু পৰিবেশ অনুসৰি কম বা বেছি হ'ব পাৰে ।

প্ৰশ্ন ৬। ব্যাখ্যা কৰা –

( ক ) সদায় চকুৰে দেখা গছ পাতটিও

ছবিটিত ভাল হৈ পৰে ,

সদায় কাণেৰে শুনা সৰু কথাটিও

গীত হলে প্ৰাণ টানি ধৰে ।

উত্তৰঃ উদ্ধৃত কবিতাফাকি কবি দুৰ্গেশ্বৰ শৰ্মাদেৱ ৰচিত ‘ গীত আৰু ছবি ’ কবিতাটিৰ অন্তৰ্গত ।

কবিয়ে গীত আৰু ছবিৰ মহত্ব বুজাবলৈ যাওঁতে এনেদৰে কবিতাটিত উল্লেখ কৰিছে । শিল্পীয়ে তেওঁৰ কৌশলী বিদ্যাৰ জৰিয়তে যিকোনো বস্তুকে জীৱন্ত ৰূপ দি অতি আকৰ্ষণীয় কৰি তুলিব পাৰে । সদায় দেখি থকা , অথচ অকণো আকৰ্ষিত নোহোৱা পাতটিও শিল্পীয়ে আমাৰ চকুত লগাকৈ , মনত সোমাই যাব পৰাকৈ ছবিত আঁকিব পাৰে । সাধাৰণ বস্তু এটাও ছবি হলে আকৰ্ষণীয় হৈ পৰে । সেইদৰে গীতৰ সন্মোহনী সুৰেও প্ৰাণত আনন্দৰ জোৱাৰ তোলে । সদায় শুনি থকা কথাও আমি বিশেষ ৰস নাপালেও যেতিয়া সেই কথাখিনিকে গায়ক - গায়িকাই সুন্দৰ সুৰত গীত হিচাপে গায় , তেতিয়া সিয়ে আমাৰ প্ৰাণ টানি ধৰে , অন্তৰ জগাই তোলে ; অন্তৰত অফুৰন্ত আনন্দ পোৱা যায় ।

( খ ) মিহিভাব মিহি গতি কৌশলী বিদ্যাৰ

নাই মৃত্যু অজৰ - অমৰ ,

যতে পৰে ত’তে গজে বিভিন্ন আকাৰ

ঠাই বুজি দীঘল - ডাঙৰ ।

উত্তৰঃ উদ্ধৃত কবিতাফাকি কবি দুৰ্গেশ্বৰ শৰ্মাদেৱ ৰচিত 'গীত আৰু ছবি' কবিতাটিৰ অন্তৰ্গত ।

ভালগীত আৰু ভাল ছবিৰ আদৰ আৰু স্থায়িত্ব সম্পৰ্কে ক’বলৈ গৈ কবিয়ে এই ফাকি কবিতাৰে কবিতাটিৰ সামৰণি মাৰিছে ।

যিবোৰ গীত আৰু ছবি ভাল বুলি সকলোৱে প্ৰশংসা কৰে , আদৰ কৰে সেইবোৰ গীত আৰু ছবিত এটা মিহি ভাব , মিহি গতি আৰু কৌশলী বিদ্যা নিহিত হৈ থাকে , যিহে ব্যক্তি তথা স্থান নিৰ্বিশেষে সকলোকে মোহিত কৰে । এনে গীত আৰু ছবিৰ কেতিয়াও মৃত্যু নহয় , সিবোৰ অজৰ - অমৰ হৈ মানুহৰ মন আৰু বুকুত চিৰস্থায়ী হৈ ৰৈ যায় । এনে গীত আৰু ছবিয়ে সকলো ঠাইতে , সকলো সমাজতে আদৰ পায় , প্ৰশংসিত হয় । ঠাই আৰু সমাজ অনুসাৰে হয়তো সেই আদৰ আৰু প্ৰশংসা কম বেছি হ'ব পাৰে ।

## **ভাষা বিষয়ক :**

প্ৰশ্ন ৭। সমাৰ্থক শব্দ লিখা –

জগত , উলাহ , চকু , সৰু , ভাল , কাণ

উত্তৰঃ জগত – বিশ্ব ।

উলাহ – আনন্দ ।

চকু – আখ , চক্ষু , নয়ন ।

সৰু – ভাল ।

ভাল – শুভ ।

প্ৰশ্ন ৮ | বাক্য ৰচনা কৰা ।

কৌশলী বিদ্যা , অজৰ অমৰ , আলাসত ঠাই , ডাঙৰ - দীঘল ।

উত্তৰঃ কৌশলী বিদ্যা – শিল্প কলা এটা কৌশলী বিদ্যা ।

অজৰ - অমৰ – ভাল কামৰ মৰণ নাই , অজৰ - অমৰ হৈ থাকে ।

আলাসত ঠাই – সুকামত আলাসত ঠাই পাব পাৰি ।

ডাঙৰ - দীঘল – পিতৃ - মাতৃৰ মৰম - চেনেহৰ মাজত সন্তান ডাঙৰ - দীঘল হয় ।

প্ৰশ্ন ৯। বিপৰীতাৰ্থক শব্দ লিখা –

মিহি , প্ৰাণ , মৃত্যু , মূল , ক্ষুদ্ৰ

উত্তৰঃ মিহি – থহটা ।

প্ৰাণ – অপ্ৰাণ।

মৃত্যু – জন্ম।

মূল – অমূল্য ; আগ।

ক্ষুদ্ৰ – ডাঙৰ।